**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-01-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইত ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আসাম শীৰ্ষক দ্বিতীয় পৰ্যায়ৰ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ বাবে এটা সজাগতা কাৰ্যসূচীত অংশ ল'ব। কালি মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্মিলনৰ বাবে টাটা গোটকে ধৰি দেশৰ কেইবাটাও আগশাৰীৰ উদ্যোগ গোষ্ঠীৰ নেতৃবৰ্গক সাক্ষাৎ কৰি আমন্ত্ৰণ জনায়। ২০১৮ চনত ৰাজ্যৰ প্ৰথমখন বিনিয়োগ সন্মিলনৰ অভূতপূৰ্ব সফলতাৰ পৰিপ্ৰেক্ষিতত অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী উপস্থিত থাকিবলগীয়া এই সন্মিলনত দেশৰ লগতে বিদেশৰো ভালেসংখ্যক উদ্যোগপতি উপস্থিত থকাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী এই ভ্ৰমণ কালতে প্ৰায় ১ লাখ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাবলৈ কেইবাটাও প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে প্ৰেৰণ কৰিছে। ইয়াৰ ভিতৰত ৮ হাজাৰ কোটি টকা ব্যয়ৰে বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা ৫ নিযুত মেট্ৰিক্টনলৈ বৃদ্ধি কৰা, ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নামৰূপ সাৰ কাৰখানা সম্প্ৰসাৰণ, ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেংগী-কুৰুৱা সংযোগী দলং, গুৱাহাটী ৰিং ৰোড, গুৱাহাটা ভূটান সংযোগী ৰে'ল পথ নিৰ্মাণকে ধৰি কেইবাটাও প্ৰকল্প লোৱা হৈছে। এই প্ৰকল্পসমূহ কাৰ্যকৰী হোৱাৰ পাছত অসমে আন্তঃগাঁথনিগত দিশত ভালেখিনি আগবাঢ়ি যাব আৰু ৰাজ্যখনৰ বিনিয়োগৰ বাবে সূচল স্থান হিচাপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

0000000

বিদ্যালয়সমূহৰ গুণগত শিক্ষাৰ মান উন্নীতকৰণৰ পদক্ষেপ হিচাপে আজি চলিত বছৰৰ গুণোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। ২০১৭ চনৰ পৰা ৰূপায়ন কৰা এই কাৰ্যসূচীয়ে পাঁচবাৰকৈ সফলতা লাভ কৰাৰ পাছত আজিৰেপৰা ৭ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত গুণোৎসৱৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ত আজি ৰাজ্যৰ ১১ খন জিলাৰ ১৬ হাজাৰৰো অধিক বিদ্যালয় সামৰি লোৱা হ'ব। আজি প্ৰথম দিনাৰ কাৰ্যসূচীত বিদ্যালয়সমূহত স্ব-মূল্যায়ন আৰু কাইলৈৰ পৰা ৯ জানুৱাৰীলৈ বহিঃমূল্যায়ন কৰা হ'ব। এই ১১ খন জিলাৰ ১৬ হাজাৰ ৫৬ খন চৰকাৰী প্ৰাদেশীকিকৃত আদৰ্শ বিদ্যালয়, চাহ বাগিচা আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয় আৰু চাহ বাগিচাৰ কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত বিদ্যালয়ক সামৰি লোৱা হ'ব। গুণোৎসৱত প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ১৪ লাখ ১১ হাজাৰ ৮৭৮ গৰাকী শিক্ষাৰ্থীৰ মূল্যায়ণ কৰা হ'ব। এই কাৰ্যসূচীত ৬ হেজাৰ ৩৬৫ গৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক, কাৰ্যনিৰ্বাহক সদস্যৰ উপৰি চৰকাৰী বিষয়াই অংশগ্ৰহণ কৰিব।

0000000

অসম চৰকাৰে অহা ১৭ জানুৱাৰীত চলিত বছৰৰ শিল্পী দিৱসৰ সৈতে সংগতি ৰাখি শিল্প সংস্কৃতি আৰু সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়োৱা ৫ গৰাকী বিশিষ্ট ব্যক্তিক শিল্পী বঁটা, নটসূৰ্য ফণী শৰ্মা বঁটা আৰু সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটাৰে সন্মানিত কৰিব।

বিশিষ্ট কণ্ঠশিল্পী ড০ অনিমা চৌধুৰী আৰু লোকশিল্পী মুকুল ৰাভাক ২০২৫ বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। ২০২৪ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ আগবঢ়োৱা হ'ব। সাহিত্যচাৰ্য অতুল চন্দ্ৰ বঁটা প্ৰবীন অভিনেত্ৰী হিৰা নেওগক প্ৰদান কৰা হ'ব। ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মক প্ৰদান কৰা হ'ব।

০০০০০০০

বড়ো সাহিত্য সভাই বিগত বৰ্ষৰ ৰাংচাৰ সাহিত্যিক বঁটাৰ বাবে দতমাৰ বাসিন্দা থৰাইনা সহায়সুলি ব্ৰহ্মৰ নাম ঘোষণা কৰিছে। বড়ো সাহিত্য সভাৰ এখন বিজ্ঞপ্তিত কালি এই কথা প্ৰকাশ কৰাৰ লগতে গুৱাহাটীৰ শিলপুখুৰী নিবাসী আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ  বড়ো বিভাগৰ সৈতে দীৰ্ঘদিন ধৰি জড়িত গংগাধৰ ৰামচিয়াৰীলৈ সোমেশ্বৰী ব্ৰহ্ম থুনলাই আৰি বঁটা, গোৱালপাৰাৰ ভূপেন দৈমাৰীলৈ ছানজাৰাং লক্ষেশ্বৰ ব্ৰহ্ম সাংস্কৃতিক বঁটা, গুৱাহাটী নুনমাটিৰ ৰত্নেশ্বৰ বসুমতাৰীলৈ সৰবাং সুবুং বিহুৰাম বড়ো সাহিত্যিক বঁটা, বাক্সাৰ কনক ৰামচিয়াৰলৈ হাব্ৰাঘাট বঁটা আৰু কোকৰাঝাৰৰ হল্টুগাঁও নিবাসী বিদাং মুছাহাৰীক সুবুংথিনি থান্দৈ ছহিদ বিনেশ্বৰ ব্ৰহ্ম মাউৰিয়া-হাউৰিয়া বঁটা প্ৰদান কৰা হ'ব বুলি জনোৱা হৈছে। একেদৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক স্বৰ্ণপ্ৰভা চৈনাৰীক ৰাজেন্দ্ৰলাল নাৰ্জাৰী সাহিত্যিক বঁটাৰ বাবে মনোনীত কৰাৰ লগতে পৰীক্ষাত সফলতা প্ৰদৰ্শন কৰা একাধিক কৃতি ছাত্ৰ-ছাত্ৰীকো উদগণিমূলক বঁটা প্ৰদান কৰা হ'ব বুলি বিজ্ঞপ্তিখনত প্ৰকাশ পাইছে। বড়ো সাহিত্য সভাৰ সমাগত ডিমাকুছি অধিৱেশনত এই বঁটাসমূহ প্ৰদান কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় মীন,পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ৰ উদ্যোগত তথা ৰাজ্যৰ মীন বিভাগৰ সহযোগত আজি গুৱাহাটীত উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সংশ্লিষ্ট বিভাগ কেইটাৰ বৈঠকৰ আয়োজন কৰা হৈছে। বৈঠকত কেন্দ্ৰীয় মীন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে অধ্যক্ষতা কৰিব।এই উপলক্ষে মীন মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত ৫০ কোটি টকা ব্যয়সাপেক্ষ বৃহৎ প্ৰকল্প উদ্বোধন কৰাৰ লগতে কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত উত্তৰপূৰ্বাঞ্চলৰ মৎস্য ক্ষেত্ৰৰ হিতাধিকাৰীসকলক প্ৰমাণপত্ৰ বিতৰণ কৰা হ'ব।

০০০০০০০

সমাপ্ত